**জনসংযোগ, অসম**
**মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ**
**প্ৰেছ বাৰ্তা**

---

**নং ঃ ২৩৩/২০২০**

**তৃতীয় পৰ্যায়ৰ লক্‌ডাউন কাৰ্যসূচী সফল কৰি তুলিবলৈ ৰাজ্যবাসীক আহ্বান জনালে মুখ্যমন্ত্ৰীয়ে**

# পৃথিৱীৰ কোনো চৰকাৰে এই কঠিন পৰীক্ষাত অকলে উত্তীৰ্ণ হ'ব নোৱাৰে ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ৩ মে' ঃ** 'কৰ'না ভাইৰাছ সংক্ৰমণ প্ৰতিহত কৰাৰ বাবে সমগ্ৰ বিশ্বজুৰি ঐক্যবদ্ধ যুঁজ আৰম্ভ হৈছে। পৃথিৱীৰ কোনো চৰকাৰে এই কঠিন পৰীক্ষাত অকলে উত্তীৰ্ণ হ'ব নোৱাৰে। ইয়াৰ বাবে জনসাধাৰণৰ আন্তৰিক সহযোগিতাৰ প্ৰয়োজন। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আহ্বানক সঁহাৰি জনাই অসমৰ জনসাধাৰণক আস্থা আৰু বিশ্বাসত লৈ কৰ'নাৰ বিৰুদ্ধে আমি যুঁজ দিছো। যোৱা দিনবোৰত অসমৰ ৰাইজে প্ৰধানমন্ত্ৰীৰ আহ্বান শ্ৰদ্ধাৰে গ্ৰহণ কৰি নিষ্ঠাৰে লক্‌ডাউনৰ প্ৰথম আৰু দ্বিতীয় পৰ্যায় সফল কৰিলে। অসমৰ ৰাইজৰ আন্তৰিক সহযোগিতাৰ বাবে ৰাজ্যখনত লক্‌ডাউন কাৰ্যসূচী সফল কৰাটো সম্ভৱ হৈছে।' আজি ব্ৰহ্মপুত্ৰ ৰাজ্যিক অতিথিশালাত এক সংবাদ মেলত অংশ গ্ৰহণ কৰি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে এইদৰে কয়।

মুখ্যমন্ত্ৰী সোণোৱালে কয় যে প্ৰথম আৰু দ্বিতীয় পৰ্যায়ৰ দৰে আমি তৃতীয় পৰ্যায়ৰো লক্‌ডাউনৰ কাৰ্যসূচী নিষ্ঠাৰে পালন কৰিব লাগিব। ভাৰতবৰ্ষৰ জনসাধাৰণৰ অৰ্থনৈতিক অৱস্থা টনকিয়াল কৰাৰ বাবে গৃহ মন্ত্ৰালয়ে কিছু ক্ষেত্ৰত শিথিলতা আনিছে। জনসাধাৰণৰ আৰ্থিক অৱস্থা শক্তিশালী কৰিবলৈ লোৱা পদক্ষেপৰ সময়ত আমি সকলোৰে মনত ৰাখিব লাগিব কৰ'নাৰ বিৰুদ্ধে সূচনা হোৱা যুঁজখন এতিয়াও শেষ হোৱা নাই। কেন্দ্ৰীয় চৰকাৰে কেতবোৰ নীতি-নিৰ্দেশনাৰ জৰিয়তে শিথিলতা আনিলেও আমি যে কৰ'না ভাইৰাছৰ পৰা মুক্ত হোৱা নাই সেই কথা মনত ৰাখিব লাগিব। তৃতীয় পৰ্যায়ৰ লক্‌ডাউনৰ সময়ছোৱাত সামাজিক দূৰত্ব বজাই ৰখা, মাস্ক পৰিধান কৰা, পৰিস্কাৰ-পৰিচ্ছন্নকৈ থাকি নিজকে ৰক্ষা কৰা ইত্যাদি স্বাস্থ্য বিভাগৰ নিৰ্দেশনাসমূহ আমি মানি চলিব লাগিব। এই বিষয়সমূহত গুৰুত্ব আৰোপ কৰিলেহে আমি সকলোৰে ৰক্ষা পাম। মুখ্যমন্ত্ৰীয়ে কয় যে আমি এই যুঁজত জয়ী হ'বই লাগিব। জনসাধাৰণক নিৰোগী, সুৰক্ষিত আৰু স্বাস্থ্যৱান কৰি ৰাখিবলৈ ৰাজ্য চৰকাৰে সকলো ধৰণৰ পদক্ষেপ গ্ৰহণ কৰিছে। অসম চৰকাৰে কৰ'না সংক্ৰমণ প্ৰতিহত কৰাৰ বাবে দৃঢ়তাৰে যুঁজ দিছে। কৰ'না ভাইৰাছৰ সংক্ৰমণ প্ৰতিৰোধৰ যুঁজখনত সন্মুখৰ পৰা নেতৃত্ব দিয়া সকলক যুদ্ধা হিচাপে গণ্য কৰক বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে আমি সকলোৰে তেওঁলোকৰ মনোবল বৃদ্ধিৰ বাবে উৎসাহ যোগাব লাগিব। জনসাধাৰণৰ স্বাৰ্থত জৰুৰী আৰু অত্যাৱশ্যকীয় সেৱাত জড়িত লোকসকলৰ মনোবল বৃদ্ধিৰ বাবে আমি সকলোৰে হাত উজান দিব লাগিব।

জনসাধাৰণক সজাগ আৰু সচেতন কৰাৰ ক্ষেত্ৰত সংবাদ মাধ্যমে উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে আগন্তুক দিনটো একেই সহযোগিতা কামনা কৰে। কৰ'না ভাইৰাছৰ বিৰুদ্ধে যুঁজত আত্মনিয়োগ কৰা সকলোৰে মনোবল যাতে অটুট থাকে তাৰ বাবে আমি দৃষ্টি ৰাখিব লাগিব। যুদ্ধাৰ মনোবল অটুট থাকিলে আমি জয়ী হ'ব পাৰিম। মনোবল বৃদ্ধি কৰাটো আমাৰ মানৱীয় দায়িত্ব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সময়মতে লক্‌ডাউনৰ কাৰ্যসূচী ঘোষণা কৰাৰ বাবে আজি

**জনসংযোগ, অসম**
**মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ**
**প্ৰেছ বাৰ্তা**

দেশখনৰ জনগণ ৰক্ষা পৰিছে। বিশ্বৰ মানৱ সমাজেও সেই কথা স্বীকাৰ কৰিছে। ইয়াৰ বাবে মুখ্যমন্ত্ৰীয়ে প্ৰধানমন্ত্ৰীক ধন্যবাদ জ্ঞাপন কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়, পেট্ৰ'লিয়াম, ৰে'লৱে, গ্ৰাহক পৰিক্ৰমা, খাদ্য আৰু ৰাজহুৱা বিতৰণ দপ্তৰসমূহে লকডাউনৰ দুয়োটা পৰ্যায়তে অসম চৰকাৰলৈ সকলোধৰণৰ সহযোগিতা আগবঢ়াইছে। ইয়াৰ বাবে মুখ্যমন্ত্ৰীয়ে বিভাগীয় মন্ত্ৰীসকলৰ লগতে বিষয়া-কৰ্মচাৰীসকলকো ধন্যবাদ জ্ঞাপন কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে কেন্দ্ৰীয় মন্ত্ৰীসকলে লক্‌ডাউনৰ সময়ত ৰাজ্যখনৰ পৰিস্থিতিৰ বুজ লোৱাৰ উপৰি খাদ্য, ঔষধ ইত্যাদি যোগান ধৰি সহযোগিতা আগবঢ়াইছে। তৃতীয় পৰ্যায়তো কেন্দ্ৰৰ পৰা একেই সহযোগিতা লাভ কৰিব বুলি মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে।

তৃতীয় পৰ্যায়ৰ লক্‌ডাউনৰ সময়ছোৱাত সামাজিক দূৰত্ব বজাই ৰাখি পৰিস্কাৰ-পৰিচ্ছন্ন কৈ থাকি মাস্ক পৰিধান কৰি এই লক্‌ডাউন সফল কৰি তুলিবলৈ মুখ্যমন্ত্ৰীয়ে আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে কয় যে অসমৰ অৰ্থনীতি পুনৰুজ্জীৱিতকৰণৰ কৌশন নিৰ্দ্ধাৰণৰ বাবে পৰামৰ্শদাতা সমিতি গঠন কৰা হৈছে। এই সমিতিয়ে জিলা তথা মণ্ডল পৰ্যায়লৈকে পৰামৰ্শদাতা সমিতি গঠন কৰি স্থানীয় অৰ্থনীতিবিদসকলৰ পৰামৰ্শ গ্ৰহণ কৰি কৃষি ভিত্তিক গ্ৰাম্য অৰ্থনীতি শক্তিশালী কৰাৰ বাবে পদক্ষেপ গ্ৰহণ কৰিব। মুখ্যমন্ত্ৰীয়ে কয় যে শৈক্ষিক দিশত ছাত্ৰ-ছাত্ৰীসকলৰ কোনো ধৰণৰ লোকচান নোহোৱাকৈ ৰাজ্যৰ শিক্ষানুষ্ঠানসমূহ পুনৰ আৰম্ভ কৰাৰ সংক্ৰান্তত ১১ খন বিশ্ববিদ্যালয়ৰ অধ্যাপকসকলৰ সৈতে তেওঁ নিজেই কথা পাতিছে। শিক্ষাবিদসকলৰ পৰামৰ্শৰ ভিত্তিত ৰাজ্য চৰকাৰে শিক্ষানুষ্ঠানসমূহ মুকলি কৰাৰ বাবে পদক্ষেপ গ্ৰহণ কৰিব।

আজিৰ এই সংবাদ মেলত মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামী উপস্থিত আছিল।

**পুঃডেঃ / বীঃগঃ**
**০৩/০৫/২০২০**